ইণ্টাৰনেটত 'দৈনিক অসম' http://dainik.assamtribune.co

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত



কৰিব পাৰিব।

## কানৈ মহাবিদ্যালয়ত 'আইডিয়া চেণ্টাৰ' মুকলি

নিজা বাতৰি দিওঁতা

টিংখাং, ৫ ফেব্ৰুৱাৰী ঃ 'চিন্তাৰ দৈন্যতাত ভোগা কোনো দেশ বা জাতি কেতিয়াও আগুৱাই যাব নোৱাৰে। চিন্তাই দেশ তথা জাতিৰ প্ৰগতিত সহায় কৰে।' ডি এইচ এছ কানৈ মহাবিদ্যালয়ত প্ৰয়াত নবীন চন্দ্ৰ দত্ত সোঁৱৰণী নৱনিৰ্মিত 'আইডিয়া চেণ্টাৰ' মুকলি কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই কালি এইদৰে কয়। ডঃ শইকীয়াই প্ৰয়াত নবীন চন্দ্ৰ দত্তৰ পৰিয়ালৰ সমূহ সদস্যক এনে সহযোগৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ স্বৰ্গীয় নবীন চন্দ্ৰ দত্ত সোঁৱৰণত তেওঁৰ সহধৰ্মিণী স্বৰ্ণলতা দত্তই আগবঢ়োৱা ৪.২৫ লাখ টকা ব্যয় সাপেক্ষে নব-নিৰ্মিত আইডিয়া চেণ্টাৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে তেওঁৰ পুত্ৰ ৰাজীৱ দত্ত। মহাবিদ্যালয়ৰ কৰ্মচাৰী ভুবন জ্যোতি বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত প্ৰয়াত নবীন চন্দ্ৰ দত্তৰ কন্যা তথা কানৈ মহাবিদ্যালয়ৰ একালৰ শ্ৰেষ্ঠ গায়িকা অংকিতা বৰকাকতিয়ে পিতৃক সুঁৱৰি দুআষাৰ কোৱাৰ লগতে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ এটি গীত পৰিৱেশন কৰে। অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক ডঃ অনন্ত কুমাৰ দত্ত, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ মৃদুল শৰ্মা, বিশিষ্ট নাট্যকাৰ অসীম শৰ্মা, বিশিষ্ট কবি মৃদুল শৰ্মাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি, অধ্যাপক অধ্যাপিকা, কৰ্মচাৰী আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## দুলীয়াজানত অগ্নিকাণ্ডত জাহ গ'ল বাসগৃহ

নিজা বাতৰি দিওঁতা

**দুলীয়াজান, ৫ ফেব্ৰুৱাৰী:** ৩ ফেব্ৰুৱাৰীৰ নিশা দুলীয়াজানত সংঘটিত এক ভয়াবহ অগ্নিকাণ্ডত কেইবাটাও বাসগৃহ জুইত জাহ যায়। সিদিনা নিশা প্ৰায় ১০ বজাত দুলীয়াজানৰ বৰাগাধৈৰ ভৱেশ গগৈ নামৰ ব্যক্তিজনৰ ভাৰাঘৰৰ এটা কোঠাত জুইৰ সূত্ৰপাত ঘটে। ফলত এই জুয়ে তাৎক্ষণিকভাৱে একে লাইনত থকা পাঁচটা বাসগৃহ আগুৰি ধৰে। ইয়াৰে দুটা বাসগৃহত দুটা পৰিয়াল থকাৰ বিপৰীতে বাকীকেইটা বাসগৃহ খালী হৈ আছিল বুলি জানিব পৰা গৈছে। আনহাতে, জুইৰ সূত্ৰপাত ঘটা কোঠাটোৰ দুটা ৰন্ধন গেছৰ চিলিণ্ডাৰৰো বিস্ফোৰণ ঘটে। প্ৰাপ্ত খবৰ মতে অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটা বাসগৃহটোত মনোজ গোৱালা আৰু আনটো বাসগৃহত অৰুণ নায়ক নামৰ ব্যক্তিজনৰ চাৰিজনীয়া পৰিয়ালটো ভাৰাতীয়া হিচাপে আছিল। ঘটনাৰ পাছতে অইল ইণ্ডিয়া লিমিটেডৰ কেইবাখনো অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপন কৰে যদিও আটাইকেইটা বাসগৃহ জ্বলি ভস্মীভূত হয়।

## ১৯ৰ পৰা ...আত্মগোপন

...ই তেওঁৰ চাকৰিৰ উপাৰ্জনৰ ... মাহে দুহেজাৰ টকাকৈ ...য় দিয়াৰ বন্দবস্তি হয়। কিন্তু ... নিৰ্দেশনাৰ পাছতেই ২০১৯ ... মাহৰপৰা বুবুল কলিতাৰ ...াই। চৰকাৰী কৰ্মচাৰী বুবুল ...জনকভাৱে সন্ধানহীন হৈ ...ৰ হৈ পত্নী দীপা কলিতাই ...াদৰ্শ আৰক্ষী থানাত এখন ...ল কৰে। উক্ত এজাহাৰৰ ...ডি ৩২৪/২০২২ নম্বৰত ...ৰি আদালতৰ বিচাৰাধীনৰ

## ...ষ্ঠ সমাজকৰ্মী মহাবীৰ ...সমাজ গৌৰৱ' সন্মান



...হাত আগবঢ়াই আহিছে। বিশেষকৈ ...ন পৰিস্থিতিত আৰ্তজনৰ প্ৰতি ...হযোগিতা বোকাখাতত উদাহৰণ হৈ ...চেষ্টাতে কেইবাগৰাকীও মেধাসম্পন্ন ...ইঞ্জিনীয়াৰিং আদি বিভাগত শিক্ষা

প্ৰাপ্তিয়ে বোকাখাতলৈ আনন্দৰ বন্যা নমাইছে। আনহাতে, অধিৱেশনত বোকাখাতৰ প্ৰভাত নিমোডিয়া মঞ্চৰ মণ্ডলৰ অধ্যক্ষ নিৰ্বাচিত হৈছে। আগৰৱালা আৰু নিমোডিয়ালৈ বোকাখাত নাট্য মন্দিৰ, অসম ৰাজ্যিক সাংবাদিক সংস্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, বোকাখাত বাৰোৱাৰী পূজা মণ্ডপ সমিতি, বোকাখাত মহকুমা সাংবাদিক সংস্থা, ৰূপজ্যোতি সংঘ বোকাখাত, কাজিৰঙা নিউজ নেটৱৰ্ক বোকাখাত, বোকাখাত মহকুমা কবি সন্মিলন, বোকাখাত পুৰতি সাহিত্য সভা, বোকাখাত সন্ধানী লেখিকা সমাৰোহ সমিতি, সাৰথি নাট্যগোষ্ঠী বোকাখাত আদি বহু দল-সংগঠন, ব্যক্তিয়ে অভিনন্দন জনাইছে। আজিৰ বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত আছিল কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিধায়কদ্বয় প্ৰশান্ত ফুকন আৰু তেৰচ গোৱালা, অসম ৰাজ্যিক সাংবাদিক সংস্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, মাৰোৱাৰী যুৱ মঞ্চৰ ৰাষ্ট্ৰীয় সভাপতি কপিল লাখতীয়া, প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি অমিত আগৰৱালা, পূৰ্বোত্তৰ প্ৰাদেশিক মঞ্চৰ সভাপতি হিমশিখৰ খান্দেলীয়া, পূৰ্বোত্তৰ প্ৰাদেশিক মঞ্চৰ প্ৰাক্তন সভাপতি মোহিত নাহাতা আদিৰ লগতে অসম চৰকাৰৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল।

...ৰ ফেষ্টিভেলত মন্ত্ৰী পাটোৱাৰী | ৯

...টেষ্টত নেখেলে হেজেলউডে

MONDAY, FEBRUARY 6, 2023 । পৃষ্ঠা ১২ (Pag

## ...থ্য ...ৰুতষৰ ...ল বৃদ্ধি

...ৰ বয়স হোৱাৰ পূৰ্বেই বিবাহ ... আনহাতে, ২০১৯-২০ চনত ... শেহতীয়াকৈ প্ৰকাশ পোৱা ... সমীক্ষা-৫ অনুসৰি অসমত ... যিয়ে ২১ বছৰ বয়স হোৱাৰ ...বদ্ধ

৬ পৃষ্ঠাত চাওক



*নাৰায়ণপুৰ অধি...*
*সাহিত্য সভাক অসম সাহি...*

...বাদ পৰিল বৰপেটা, দক্ষিণ শ...

## ৰাজ্যৰ ৩২ হাজাৰ... ...দিয়া হৈছে বিনামূলী...

দৈনিক অসমৰ বাতৰি

...গুৱাহাটী, ৫ ফেব্ৰুৱাৰী ঃ ৰাজ্যৰ চতুৰ্থবৰ্গৰ পুৰুষ-...মহিলা কৰ্মচাৰীলৈ অসম খাদী আৰু গ্ৰামোদ্যোগ ...ৰ্ডৰ বিনামূলীয়া চোলা আৰু শ্ব'ল বিতৰণ প্ৰক্ৰিয়া ...তিয়াও অব্যাহত আছে। ২০১৮ চনতে ঘোষণা কৰা ...আৰু ২০২১ চনৰপৰা আৰম্ভ হোৱা এই বিনামূলীয়া ...খাদী বস্ত্ৰ বিতৰণ প্ৰক্ৰিয়া ব'হাগ বিহুৰ আগলৈকে ...লাৰ সম্ভাৱনা আছে। সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী হৈ

থকা সম... প্ৰথম অৱ... হৈছিল অ... চোলা আ... সিদ্ধান্ত বা... বাবে প্ৰায় ... আৰু গ্ৰামো... এই আঁচনি...



## নৱ প্ৰজন্মক চি...